*Total number of printed pages–7*

**63/1 (SEM–5) DSE1/ASMHE5016**

**2023**

# ASSAMESE

Paper : ASMHE5016

***(Introduction to Assamese Romantic and Modern Poetry)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৬=৬

(ক) ৰোমান্টিক যুগৰ ‘পেটমোচা’ কবি কোন?

(i) নলিনীবালা দেৱী

(ii) চন্দ্ৰকুমাৰ আগৰৱালা

(iii) দেৱকান্ত বৰুৱা

(iv) যতীন্দ্ৰনাথ দুৱৰা

*Contd.*

(খ) ‘সুগন্ধি পখিলা’ৰ কবি বুলিলে কাক বুজায়?

*(i)* হেম বৰুৱা

*(ii)* নৱকান্ত বৰুৱা

*(iii)* যতীন্দ্ৰনাথ দুৱৰা

*(iv)* হীৰেন ভট্টাচাৰ্য

(গ) “কবি যতীন্দ্ৰনাথ দুৱৰা এজন কবিয়েই নহয়, তেওঁৰ জীৱন টোৱে এটি দীঘল কবিতা।” কথাষাৰ কোনে কৈছিল?

*(i)* লক্ষ্মীনাথ বেজবৰুৱা

*(ii)* হেমচন্দ্ৰ গোস্বামী

*(iii)* ভবানন্দ দত্ত

*(iv)* সূৰ্যকুমাৰ ভূঞা

(ঘ) ৰত্নকান্ত বৰকাকতীৰ পিছতে কোনজন অসমীয়া কবিৰ কবিতাত ছন্দবৈচিত্ৰ্য দেখা যায়?

*(i)* ডিম্বেশ্বৰ নেওগ

*(ii)* দেৱকান্ত বৰুৱা

*(iii)* প্ৰসন্নলাল চৌধুৰী

*(iv)* নলিনীবালা দেৱী



(ঙ) ‘পথাৰ’ৰ কবি বুলিলে কাক বুজায়?

*(i)* ৰাম গগৈ

*(ii)* হেম বৰুৱা

*(iii)* নৱকান্ত বৰুৱা

*(iv)* যতীন্দ্ৰনাথ দুৱৰা

(চ) অসমীয়া সাহিত্যলৈ ৰোমাণ্টিকতাৰ ভাৱধাৰা কঢ়িয়াই অনা আলোচনীখনৰ নাম কি?

*(i)* অৰুনোদই

*(ii)* জোনাকী

*(iii)* বাঁহী

*(iv)* আৱাহন

(ছ) তলৰ কোনখন কবিতাপুথি লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰিছিল?

*(i)* প্ৰতিমা

*(ii)* কদমকলি

*(iii)* আচিনা

*(iv)* কাৰবালা

(জ) নির্মলপ্ৰভা বৰদলৈয়ে সাহিত্য অকাডেমি বঁটা লাভ কৰা কবিতা পুথিখনৰ নাম কি?

(i) সুদীৰ্ঘ দিন আৰু ঋতু

(ii) বন ফৰিঙৰ ৰং

(iii) দিনৰ পাছত দিন

(iv) সমীপেষু

(ঝ) 'হে অৰণ্য হে মহানগৰ' কবিতাপুথিখন কোনে ৰচনা কৰিছিল?

(i) অজিৎ বৰুৱা

(ii) হেম বৰুৱা

(iii) দেৱকান্ত বৰুৱা

(iv) নৱকান্ত বৰুৱা

(ঞ) 'যুদ্ধভূমিৰ কবিতা' নামৰ পুথিখন কোনে ৰচনা কৰিছিল?

(i) সমীৰ তাঁতী

(ii) অনন্ত তাঁতী

(iii) মহেন্দ্ৰ বৰা

(iv) ৰাম গগৈ



২। চমুক�ৈ উত্তৰ দিয়াঁ ঃ ২×৫=১০

(ক) "লিখি যোৱা, লিখি যোৱা, ভাল হ'লে বৈ যাব বেয়া হ'লে হাতৰ খজুৰতি পলাব।" —কথাষাৰ কোনে কাক উদ্দেশি কৈছিল?

(খ) শেহতীয়াভাৱে কোনজন আধুনিক কবিয়ে 'জ্ঞানপীঠ' বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল? তেওঁৰ এখন কবিতাপুথিৰ নাম লিখাঁ।

(গ) "অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত দুটা সুৰ ধ্বনিত হৈছে।"—সেই সুৰ দুটা কি কি?

(ঘ) 'বিহগী' কবি কোন? তেওঁ সম্পাদনা কৰা এখন আলোচনীৰ নাম লিখাঁ।

(ঙ) 'এখুদ ককাইদেউ' বুলি কোনগৰাকী কবিক জনা যায়? তেওঁৰ ৰচিত এখন কাব্যগ্ৰন্থৰ নাম লিখাঁ।

(চ) *দুগৰাকী* অসমীয়া ৰহস্যবাদী কবিৰ নাম লিখা।

(ছ) অসমীয়া আধুনিক কবিতাৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৫×৬=৩০

(ক) 'এই উচুপনিবোৰ কান পাতি শুনিবা' কবিতাটোৰ কবি কোন? তেওঁৰ কাব্যিকপ্ৰতিভা বিচাৰ কৰা।

(খ) ৰহস্যবাদৰ বিশিষ্ট উপাদানবোৰ কি কি? চমুকৈ লিখাঁ।

(গ) 'পথাৰ' কবিতাৰ মাজেৰে শ্ৰমজীৱী মানুহৰ প্ৰতি গভীৰ আস্থা কিদৰে প্ৰকাশিত হৈছে? চমুকৈ লিখাঁ।

(ঘ) নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটিত অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ পটভূমিত মানৱীয় কৰ্ম কেনেদৰে অভিব্যক্ত হৈছে, আলোচনা কৰা।

(ঙ) 'অতীতক নাযাবা পাহৰি' কবিতাটোৰ কবি কোন? কবিতাটো কোন শ্ৰেণীৰ কবিতা? চমুকৈ আলোচনা কৰা।

(চ) 'গোলাপী জামুৰ লগ্ন' কবিতাটিৰ অন্তৰ্নিহিত ভাব বুজাই লিখাঁ।

(ছ) 'মমতাৰ চিঠি' কবিতাটোৰ উৎস কি? কবিতাটোৰ মাজেৰে নাৰী মনস্তত্ব কিদৰে প্ৰতিফলিত হৈছে, চমুকৈ লিখাঁ।

(জ) "বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতা সৰ্বজন সমাদৃত হোৱাৰ কাৰণ তেওঁৰ কবিতাৰ ধ্বনি-প্ৰবাহ।" 'গড়গাঁও' কবিতাৰ আধাৰত কথাষাৰৰ সত্যতা নিৰ্ণয় কৰা।

(ঝ) 'নাটঘৰ' কবিতাটোৰ মাজেৰে ৰহস্যবাদী ভাবধাৰা কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

(ঞ) নৱকান্ত বৰুৱাৰ কাব্যপ্ৰতিভা বিচাৰ কৰা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ : ১০×২=২০

(ক) 'বীণ বৰাগী' কবিতাত ৰোমাণ্টিক ভাৱধাৰা কিদৰে প্ৰতিফলিত হৈছে বিচাৰ কৰা।



(খ) "অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কবিতাৰ মাজেৰে নাৰীৰ ৰূপৰ বন্দনা কৰিছে ঈশ্বৰেৰ সুন্দৰ মুখৰ অভিব্যক্তিস্বৰূপে।" 'বিশ্বদোলন' কবিতাৰ আধাৰত কথাষাৰ আলোচনা কৰা।

(গ) মহেন্দ্ৰ বৰাক কি কবি আখ্যা দিয়া হৈছে? "বিষয়বস্তুৰ অভিনবত্ব, প্ৰতীকযুক্ত ভাষাৰ সুপ্ৰয়োগে মহেন্দ্ৰ বৰাৰ 'সাপ' কবিতাক এক উৎকৃষ্ট শিল্প কৰ্মলৈকে উন্নীত কৰালে।" —কথাষাৰ বিচাৰ কৰা।

৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখাঁ : ১৪×১=১৪

(ক) 'দ্ৰৌপদী' কবিতাটোক আধুনিক কবিতাৰ কি কি বৈশিষ্ট্য ফুটি উঠিছে বিচাৰ কৰা।

(খ) "কেতেকী'ৰ সুৰ, চৰাইৰ সাধাৰণ মাত নহয়,
কৃষ্ণৰ বাঁহীৰ সুৰৰ দৰে বিশ্বৰ প্ৰেমানন্দৰ সুৰ।"
—'কেতেকী' কবিতাৰ আধাৰত কথাষাৰ আলোচনা কৰা।

(গ) হেম বৰুৱাৰ কাব্যপ্ৰতিভা বিচাৰ কৰি এটা প্ৰবন্ধ যুগুত কৰা।

(ঘ) লক্ষ্মীনাথ বেজবৰুৱাৰ কাব্যপ্ৰতিভা বিচাৰ কৰা।

---